# REGIONAL NEWS UNIT

# AKASHVANI, GUWAHATI

0000000000

**Date :** 08-08-2025

**Time :** 21-25 Hrs

### ASSAMESE NIGHT BULLETIN

::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::

গোলাঘাট জিলা প্ৰশাসন আৰু বন বিভাগে আজি পুৱাৰে পৰা মেৰাপানী সীমান্তৰ দৈয়াং বনাঞ্চলৰ ২ নম্বৰ নেঘেৰিবিলত  উচ্ছেদ চলায়। অঞ্চলটোত অবৈধভাৱে বাস কৰা ২০৫ টা পৰিয়ালৰ ভিতৰত ১৪৬ টা পৰিয়ালক উচ্ছেদৰ লক্ষ্যৰে প্ৰশাসনে এই অভিযান চলাইছে। গোলাঘাট জিলাৰ আয়ুক্ত পুলক মহন্তৰ উপস্থিতিত অৰ্ধ শতাধিক এস্কেভেটৰ কেইবাশ বনকৰ্মী আৰু আৰক্ষী , শান্তিপূৰ্ণভাৱে হৈছে। চলোৱা অভিযান উচ্ছেদ এই সহযোগত বাহিনীৰ আৰক্ষী সংৰক্ষিত কেন্দ্ৰীয় কে এম সচিব মুখ্য বিশেষ ৰাজ্যৰ নেঘেৰিবিলত পাছত অভিযানৰ উচ্ছেদ দিনজোৰা চলা যাদৱে পৰিস্থিতিৰ পৰ্যালোচনা কৰে। সাংবাদিকৰ সৈতে হোৱা কথা উচ্ছেদ সচিবগৰাকীয়ে বতৰাত-উচ্চ গুৱাহাটী দিয়ে। জানিবলৈ বুলি হয় কৰা উচ্ছেদ বাসগৃহ টা ১৪৬ পৰ্যায়ত প্ৰথম অভিযানৰ শ্ৰী কৰি উল্লেখ কথা দিয়াৰ সকাহ কিছু পৰ্যন্ত আগষ্ট ১৪ পৰিয়ালক টা ৫৯ অঞ্চলটোৰ ন্যায়ালয়ে যাদৱে অঞ্চলটোত পুনৰ ১৬ আগষ্টৰ পৰা উচ্ছেদ চলিব বুলি প্ৰকাশ কৰে। তেওঁ লগতে উৰিয়ামঘাটতো ১৫ আগষ্টৰ পাছত পুনৰ উচ্ছেদ চলোৱা হ'ব বুলি জানিবলৈ দিয়ে। ইপিনে , অসম যে ,কয় যাদৱে শ্ৰী সন্দৰ্ভত কৰা দাবী বুলি নিজৰ লোকে নগা ভূমিক উচ্ছেদিত নেঘেৰিবিলত বিষয়ট চৰকাৰে নাগালেণ্ড আৰুো আলোচনা কৰি মীমাংসা কৰিব। উচ্ছেদিত এলেকাত বন বিভাগে পৰৱৰ্তী সময়ত বনানিকৰণৰ বাবে আঁচনি গ্ৰহণ কৰিব বুলি বিশেষ মুখ্য সচিবগৰাকীয়ে প্ৰকাশ কৰে।

00000

কেন্দ্ৰীয় মন্ত্ৰীসভাই অসম আৰু ত্ৰিপুৰাৰ উন্নয়নৰ লক্ষ্যৰে বিশেষ পেকেজৰ অধীনত ৪ হেজাৰ ২৫০ কোটি টকা আৱণ্টনত অনুমোদন জনাইছে। ৰাজ্যখনৰ আদিবাসী বসতিপ্ৰধান গাওঁসমূহৰ উন্নয়নৰ বাবে মন্ত্ৰীসভাই ৫০০ কোটি টকাৰ পেকেজ ঘোষণা কৰিছে। একেদৰে

আলফা আৰু চৰকাৰৰ মাজত হোৱা চুক্তিমৰ্মে ৰাজ্যখনৰ উন্নয়নৰ বাবে ৩ হাজাৰ কোটি টকাৰ পেকেজত মন্ত্ৰীসভাই অনুমোদন জনাইছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ অধ্যক্ষতাত আজি অনুষ্ঠিত কেন্দ্ৰীয় মন্ত্ৰীসভাৰ বৈঠকৰ পাছত তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰী অশ্বিনী বৈষ্ণৱে বৈঠকৰ সিদ্ধান্তসমূহৰ বিষয়ে সাংবাদিকৰ আগত প্ৰকাশ কৰে। তেওঁ কয় যে ডিমা হাচাও জিলাৰ উন্নয়নৰ বাবেও পৃথকে ৫০০ কোটি টকাৰ পেকেজ ঘোষণা কৰি হৈছে। একেদৰে ত্ৰিপুৰাৰ বাবে কেন্দ্ৰীয় চৰকাৰে বিশেষ পুঁজিৰ অধীনত ২৫০ কোটি টকা আৱণ্টন দিছে।

**কেন্দ্ৰীয় মন্ত্ৰীসভাই প্ৰধানমন্ত্ৰী উজলা যোজনাৰ হিতাধিকাৰীসকললৈ ২০২৫-২৬ বিত্তীয় বৰ্ষৰ বাবে ১২ হাজাৰ কোটি টকা ৰাজসাহায্য প্ৰদানৰ অনুমোদন জনাইছে।মন্ত্ৰীগৰাকীয়ে কয় যে এই আঁচনিৰ অধীনত ১০ কোটি ৩৩ লাখৰো অধিক পৰিয়াল উপকৃত হৈছে।**

ৰাজহুৱা খণ্ডৰ তেল কোম্পানীলৈ মন্ত্ৰীসভাই ৩০ হাজাৰ কোটি টকাৰ ক্ষতিপূৰণত অনুমোদন দিছে বুলিও মন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে। ৩ টা ৰাজহুৱা খণ্ডৰ তৈল বিপনন কোম্পানী আই অ ’ চি এল, বি পি চি এল আৰু এইচ পি চি এললৈ এই ধনৰাশি আৱণ্টন দিয়া হ’ব। তদুপৰি কাৰিকৰী শিক্ষাৰ ক্ষেত্ৰত বহুমুখী শিক্ষা আৰু গৱেষণা প্ৰক্ৰিয়া উন্নত কৰাৰ বাবে ৪ হাজাৰ ২০০ কোটি টকা আৱণ্টনতো মন্ত্ৰীসভাই অনুমোদন জনায়।

00000

**নলবাৰী আৰক্ষীয়ে আজি কোটি টকীয়া কেলেংকাৰীৰ অভিযোগত বন্ধন বেংকৰ নলবাৰী শাখাৰ বিষয়া হেমেন শৰ্মাক গ্ৰেপ্তাৰ কৰে। বিষয়াগৰাকীৰ নেতৃত্বতে গ্ৰাহকৰ চি চি একাউণ্টত ধন জমা কৰি কৌশলগতভাৱে উলিয়াই আত্মসা ৎ কৰাৰ অভিযোগ উঠিছিল। বাক্সাৰ মুছলপুৰ থানাত ৰুজু হোৱা এক গোচৰৰ ভিত্তিত তদন্ত অব্যাহত আছে। এই গোচৰৰ পৰা হাত সাৰিবলৈ ধৃত বিষয়া গৰাকীয়ে গুৱাহাটী উচ্চ ন্যায়ালয়ত অগ্ৰীম জামিন আবেদন কৰিছিল যদিও আদালতে সেই আবেদন নাকচ কৰিছিল।**

00000

**মুখ্যমন্ত্ৰী ড ° হিমন্ত বিশ্ব শৰ্মাই বি টি চি নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত পৰিষদৰ অন্তৰ্গত অঞ্চলসমূহত বিজেপিৰ সাংগঠনিক ভেটি সবল কৰাৰ উদ্দেশ্য আজি ওদালগুৰিৰ খৈৰাবাৰী েৰগাঁও আৰু নোনাই ছেৰফাং পৰিষদীয় সমষ্টিত তিনিখনকৈ বিজয় সংকল্প সভাত, ২ অংশগ্ৰহণ কৰে। মুখ্যমন্ত্ৰীয়ে অহা১ আগষ্টত বি টি চি নিৰ্বাচনৰ বাবে বিজেপিৰ প্ৰাৰ্থী ঘোষণা কৰা হ’ব বুলি প্ৰকাশ কৰে। তেওঁ লগতে কয় যে দুৰ্গা পূজাৰ পূৰ্বে বিটিচিত নিৰ্বাচনী প্ৰক্ৰিয়া , সম্পূৰ্ণ হ’ব। ড ° শৰ্মাই তেওঁৰ চৰকাৰে অহা ৫ বছৰত বিটিআৰত সকলোকে প্ৰথম শ্ৰেণীৰ**

নাগৰিক হিচাপে গঢ়ি তোলা নিকাভাৱে , চাকৰি প্ৰদান তথা চৰকাৰী আঁচনিসমূহ লাভ কৰাটো সুনিশ্চিত কৰিব বুলি মন্তব্য কৰে। বিজেপি চৰকাৰে শত্ৰুতাৰে নহয় বৰং শান্তিপূৰ্ণভাৱে , মিলাপ্ৰীতিৰ জৰিয়তে বি টি আৰলৈ উন্নয়নৰ নতুন ধাৰা বোৱাই আনিব বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে।

00000

১৩৪ সংখ্যক ইণ্ডিয়ান অইল ডুৰাণ্ড কাপ ফুটবল প্ৰতিযোগিতাত জামছেদপুৰ এফ চিয়ে কোৱাৰ্টাৰ ফাইনেলত প্ৰথম দল হিচাপে প্ৰৱেশ কৰিছে। উল্লেখযোগ্য যে প্ৰতিযোগিতাখনৰ গ্ৰুপ পৰ্যায়ৰ আটাইকেইখন খেলতে জামছেদপুৰ এফ চিয়ে বিজয়ী হয়। কাইলৈ কোকৰাঝাৰৰ সাই ষ্টেডিয়ামত আবেলি ৪ বজাৰ পৰা গ্ৰুপ ডিৰ এখন গুৰুত্বপূৰ্ণ খেলত বড়োলেণ্ড এফ চিয়ে পাঞ্জাব এফ চিৰ বিৰুদ্ধে অৱতীৰ্ণ হ ’ব। কোৱাৰ্টাৰ ফাইনেলৰ যোগ্যতাৰ বাবে কাইলৈৰ খেলখন দুয়োটা দলৰ বাবেই গুৰুত্বপূৰ্ণ। কোলকাতাৰ বিবেকানন্দ যুৱ ভাৰতী ক্ৰীড়াংগনত হ ’বলগীয়া আন এখন খেলত কাইলৈ নিশা সাত বজাত ডায়মণ্ড হাৰ্বাৰ এফ চি - মোহন বাগানৰ সন্মুখীন হ’ব।

00000

**সমাপ্ত**